# অসম প্ৰদেশ কংগ্ৰেছ কমিটী

## বৰ্দ্ধিত কাৰ্যনিৰ্বাহক সভা

**তাৰিখঃ ৪ ছেপ্টেম্বৰ, ২০১৬**

**স্থানঃ মানবেন্দ্ৰ শৰ্মা চৌহদ, গুৱাহাটী**

## <u>শোক প্ৰস্তাৱ</u>

আজি ৪ ছেপ্টেম্বৰ’১৬ দেওবাৰে গুৱাহাটীস্থ মানবেন্দ্ৰ শৰ্মা প্ৰকল্পত অনুষ্ঠিত হোৱা অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ বৰ্দ্ধিত কাৰ্যনিৰ্বাহকৰ সভাই বিগত সময়ছোৱাত আমাৰ মাজৰ পৰা চিৰদিনৰ বাবে হেৰাই যোৱা অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি অঞ্জন দত্তদেৱৰ অকাল বিয়োগত মৰ্মাহত হোৱাৰ লগতে গভীৰ শোক প্ৰকাশ কৰি মৃতকৰ আত্মাৰ সদ্ গতি কামনা কৰি মৌন প্ৰাৰ্থনা কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ আন্তৰিক সমবেদনা জ্ঞাপন কৰে। ১৯৫২ চনৰ ১৩ এপ্ৰিলত শিৱসাগৰৰ গায়েন গাঁৱত প্ৰয়াত পিতৃ থানেশ্বৰ দত্ত আৰু মাতৃ অঞ্জলি দত্তৰ গৰ্ভত জন্ম গ্ৰহণ কৰা অঞ্জন দত্তই পিতৃৰ পদাংক অনুসৰন কৰি প্ৰথমতে ব্যৱসায় সৈতে জড়িত হৈ পৰিছিল যদিও পিছলৈ কংগ্ৰেছ দলৰ সৈতে জড়িত হৈ ৰাজনৈতিক জীৱন আৰম্ভ কৰে। যুৱ কংগ্ৰেছৰ সভাপতি হিচাপে নিজৰ বলিষ্ঠ আৰু গতিশীল সাংগঠনিক দক্ষতাৰে পৰিচিত দত্তদেৱে ১৯৯১ চনত প্ৰথমবাৰৰ বাবে ১০৩ নং আমগুৰি বিধানসভা সমষ্টিৰ পৰা বিধায়ক হিচাবে নিৰ্বাচিত হোৱাৰ লগতে ২০০১ চন আৰু ২০১১ চনতো উক্ত সমষ্টিৰ পৰা বিধায়ক হিচাবে নিৰ্বাচিত হৈছিল। ২০০১ চনত প্ৰয়াত দত্তই পৰিবহন মন্ত্ৰী হিচাপে অতি দক্ষতাৰে মৃতপ্ৰায় অসম ৰাজ্যিক পৰিবহন নিগমক পুনৰজীৱিত কৰি এক লাভজনক প্ৰতিষ্ঠানলৈ উন্নীত কৰিছিল। প্ৰতিষ্ঠানটোৰ কেইবা হেজাৰ পৰিয়ালক জীয়াই থাকিবলৈ সাহস যোগাবলৈ সমৰ্থ হোৱাৰ কথা সৰ্ব্বজনবিদিত। ২০১৪ চনৰ শেষ ভাগত প্ৰদেশ কংগ্ৰেছৰ সভাপতিৰ গুৰু দায়িত্বভাৰ গ্ৰহণ কৰি সমগ্ৰ ৰাজ্যজুৰি সাংগাঠনিক ক্ষেত্ৰত অহনিৰ্শে নিজকে তথা সকলো দলীয় সতীৰ্থকে নিয়োজিত কৰিবলৈ সমৰ্থ হোৱা দত্তদেৱে বিগত বিধানসভাৰ নিৰ্বাচনী ফলাফল ঘোষিত হোৱাৰ পূৰ্বেই অসুস্থ হৈ পৰিছিল আৰু অৱশেষত যোৱা ১৬ জুন তাৰিখে আমাৰ সকলোকে এৰি থৈ ইহসংসাৰৰ পৰা বিদায় মাগিলে। প্ৰয়াত দত্ত ডাঙৰীয়া এগৰাকী ৰাজনীতিকেই নহয়, এগৰাকী ক্ৰীড়া সংগঠক তথা সাহিত্যিক-সাংবাদিক হিচাপে সুপৰিচিত আছিল। ইমান ব্যস্ততাৰ মাজতো “অনুভূতি” নামৰ মাহেকীয়া আলোচনীখন নিয়মীয়াকৈ পঢ়ুৱৈৰ হাতত তুলি দিবলৈ পাহৰা নাছিল।

বিগত সময়ছোৱাত আমাৰ মাজৰ পৰা আকস্মিকভাৱে আতৰি যোৱা উত্তৰ পূৰ্বাঞ্চলৰ পৰা প্ৰতিনিধিত্ব কৰি কেন্দ্ৰীয় মন্ত্ৰীত্বৰ লগতে লোকসভাৰ অধ্যক্ষৰ দৰে গুৰুত্বপূৰ্ণ আসনত অধিষ্ঠিত হৈ সমগ্ৰ দেশবাসীৰ শুভেচ্ছা বুটলিবলৈ সমৰ্থ হোৱা জনপ্ৰিয় ৰাজনীতিক পি, এ, চাংমা ডাঙৰীয়াৰ মৃত্যু আমাৰ বাবে এক বৃহৎ ক্ষতি। মৃত আত্মাৰ সদ্গতি কামনা কৰিলো।

ক্ৰমশ.......

বিগত সময়ছোৱাত আমাৰ সাংস্কৃতিক ক্ষেত্ৰখনক শোকাচ্ছন্ন কৰি ইহসংসাৰৰ পৰা আতৰি যোৱা ভ্ৰাম্যমান নাট্য আন্দোলনৰ জনক, নাট্যমহীৰুহ, অভিভাৱক অচ্যুত লহকৰৰ বিয়োগ অসমৰ সাংস্কৃতিক জগতৰ বাবে এক অপূৰণীয় ক্ষতি৷ অসমৰ এই আপুৰুগীয়া ভ্ৰাম্যমান নাট্য আন্দোলনটোক দেশৰ পৰা বিদেশৰ মাটিলৈ কঢ়িয়াই নিবলৈ সমৰ্থ হোৱা আৰু সাম্প্ৰতিক সময়ত এক উদ্যোগলৈ ৰূপান্তৰিত হোৱা ভ্ৰাম্যমান নাট্য আন্দোলনে পিতামহ অচ্যুত লহকৰক সদায় আমাৰ মাজত জীয়াই ৰাখিব৷ বিদেহী আত্মাৰ সদগতি কামনা কৰিলো ।

- অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি “কাঠনি বাৰীৰ ঘাট”ৰ শ্ৰষ্টা “ৰঙা জিঞ্জা”ৰ কবি পদ্মশ্ৰী মহিম বৰাদেৱৰ বিয়োগত অসম প্ৰদেশ কংগ্ৰেছ কমিটিয়ে মৌন প্ৰাৰ্থনা জনোৱাৰ জৰিয়তে মৃতকৰ আত্মাৰ সদগতি কামনা কৰে আৰু শোক সন্তপ্ত পৰিয়াল বৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে ।
- “অসমীয়া প্ৰতিদিন” কাকতৰ জ্যেষ্ঠ সাংবাদিক আনোৱাৰ হুছেইনৰ অকাল বিয়োগ অসমৰ সংবাদ জগতৰ ৰাজনৈতিক সংবাদ ক্ষেত্ৰৰ এক অপূৰণীয় ক্ষতি বুলি আজিৰ সভাই মত পোষণ কৰি বিদেহী আত্মাৰ সদগতি কামনা কৰে আৰু শোক সন্তপ্ত পৰিয়ালবৰ্গলৈ আন্তৰিক সমবেদনা জ্ঞাপন কৰে ।

- অসম গণ পৰিষদৰ জন্মলগ্নৰে পৰা ৰাজনৈতিক জীৱন আৰম্ভ কৰি ঢেকিয়াজুলি বিধানসভা সমষ্টিৰ পৰা একেৰাহে তেৰবছৰ ধৰি বিধায়ক, ৰাজ্যিক মন্ত্ৰীৰ লগতে ২০০৯ চনত তেজপুৰ লোকসভা সমষ্টিৰ পৰা সাংসদ হিচাবে নিৰ্বাচিত হোৱা চাহজনগোষ্ঠীৰ বিশিষ্ট নেতা যোচেফ তপ্প’ৰ আকস্মিক বিয়োগত আমাৰ গভীৰ শ্ৰদ্ধাঞ্জলি যাচিলো ।
- অসমৰ এগৰাকী প্ৰসিদ্ধ গীতিকাৰ, বোলছবি পৰিচালক, ৰূপসজ্জাকাৰ নুৰুল হকৰ বিয়োগ অসমৰ বোলছবি জগতৰ উপৰিও সাংস্কৃতিক জগতৰ বাবে এক অপূৰণীয় ক্ষতি বুলি প্ৰদেশ কংগ্ৰেছে অভিহিত কৰি গভীৰ শোক প্ৰকাশ কৰিছে ।

- বিগত সময়ত আমাৰ মাজৰ পৰা আতঁৰি যোৱা এগৰাকী প্ৰবীন বামপন্থী নেতা, কলাগুৰু বিষ্ণু ৰাভাদেৱৰ সহযোগী, লেখক, বিশিষ্ট সংগঠক আৰু গুৱাহাটী উচ্চ ন্যায়ালয়ৰ জ্যেষ্ঠ অধিবক্তা শৈলেন মেধিৰ বিয়োগত আমাৰ দলৰ তৰফৰ পৰা আন্তৰিক শোক প্ৰাৰ্থনা জনালো ।
- অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ প্ৰাক্তন অধ্যক্ষ, কটন মহাবিদ্যালয় প্ৰাক্তন অধ্যক্ষ, বিশিষ্ট শিক্ষাবিদ দিলীপ কাকতি দেৱৰ মৃত্যুতো আমাৰ গভীৰ শোক প্ৰকাশ কৰিলো ।

ক্ৰমশ.......

- ৰাজ্যখনৰ এগৰাকী বিশিষ্ট সমাজবাদী নেতা পশ্চিম গোৱালপাৰা বিধানসভা সমষ্টিৰ পৰা দুবাৰকৈ এচ ইউ চি আই দলৰ বিধায়ক হিচাবে নিৰ্বাচিত হোৱা নাজিবুল হক দেৱৰ মৃত্যুত অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ তৰফৰ পৰা গভীৰ শোক প্ৰকাশ কৰিলো ।
- মৰিগাওঁ জিলাৰ ৰহাত এইমছ স্থাপনৰ দাবীত সাম্প্ৰতিক কালত হোৱা সংগ্ৰামৰ কাৰ্য্যসূচীত অংশগ্ৰহণ কৰোতে, অসম আৰক্ষীৰ গুলীত প্ৰাণ আহুতি দিয়া মিণ্টু দেউৰীৰ মৃত্যুত অসম প্ৰদেশ কংগ্ৰেছ কমিটীয়ে গভীৰ শোক প্ৰকাশ কৰাৰ লগতে মৃত আত্মাৰ সদ্গতি কামনাৰে মৌন প্ৰাৰ্থনা জনায় আৰু পৰিয়াল বৰ্গলৈ আন্তৰিক সমবেদনা জ্ঞাপন কৰে।
- অলিম্পিকৰ স্বৰ্ণজয়ী ভাৰতীয় হকী দলৰ অন্যতম খেলুৱৈ পেলাণ্টি বিশেষজ্ঞ মহম্মদ ছঈদ ইকবালৰ মৃত্যুতো প্ৰদেশ কংগ্ৰেছ কমিটীয়ে আন্তৰিক শোক প্ৰকাশ কৰে ।
- যোৰহাট জিলাৰ বিশিষ্ট কংগ্ৰেছ নেতা তথা তিতাবৰ ব্লক কংগ্ৰেছ কমিটীৰ সভাপতি সোণাধৰ ৰাজখোৱাৰ মৃত্যুত অসম প্ৰদেশ কংগ্ৰেছ কমিটীয়ে গভীৰ শোক প্ৰকাশ কৰে আৰু তেখেতৰ বিদেহী আত্মাৰ সদগতি কামনা কৰাৰ লগতে পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে।
- অসম প্ৰদেশ কংগ্ৰেছ সেৱাদলৰ প্ৰাক্তন মুখ্য সংগঠক বদিৰ উদ্দিন আহমেদৰ যোৱা ১ আগষ্টত পৰলোপ্ৰাপ্তি ঘটে। অসম প্ৰদেশ কংগ্ৰেছ কমিটীয়ে তেখেতৰ মৃত্যুত শোক প্ৰকাশৰ কৰি বিদেহী আত্মাৰ সদগতি কামনা কৰাৰ লগতে পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে।
- বৰপেটাৰ বিশিষ্ট সমাজকৰ্মী ডালিম দেউৰী, কোঁচ ৰাজবংশী সাহিত্য সভাৰ প্ৰাক্তন সভাপতি অৰুণ কুমাৰ ৰায়, নগাঁও জিলা কংগ্ৰেছৰ উপ-সভাপতি প্ৰেমেশ্বৰ বৰাৰ মৃত্যুত আজিৰ সভাই গভীৰ শোক প্ৰকাশ কৰে আৰু শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে।
- ২ ছেপ্টেম্বৰ,২০১৬ তাৰিখে অসমৰ বিশিষ্ট কবি, সমালোচক, সাহিত্যিক নলিনীধৰ ভট্টচাৰ্য্যৰ ৯৫ বছৰ বয়সত বাৰ্ধক্যজনিত কাৰণত মৃত্যু হোৱাত অসম প্ৰদেশ কংগ্ৰেছ কমিটীয়ে গভীৰ শোক প্ৰকাশ কৰে আৰু শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ আজিৰ সভাই সমবেদনা জ্ঞাপন কৰি বিদেহী আত্মাৰ চিৰশান্তি কামনা কৰে।

ইয়াৰোপৰি বাংলাদেশৰ হোটেলত জেহাদীয়ে কৰা নৃশংস আক্ৰমণ, ফ্ৰান্সত আইচিছৰ দ্বাৰা নিৰিহজনক অমানুষিক ভাৱে কৰা হত্যাকাণ্ডক তীব্ৰ ভাষাৰে গৰিহনা দি মৃতকৰ লগতে তুৰস্কৰ সামৰিক অভ্যুত্থানত নিহত সকললৈকো আমাৰ শ্ৰদ্ধাঞ্জলি নিবেদন কৰিলো ।

তদুপৰি ৰাজ্যখনত সংঘটিত প্ৰলয়ংকাৰি বান আৰু গৰাখহনীয়াত প্ৰাণ বিসৰ্জন দিয়া, ভূমিস্ফলনত নিহত হোৱা সকলোলৈকে অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ তৰফৰ পৰা শ্ৰদ্ধাৰে স্মৰণ কৰাৰ লগতে ক্ষতিগ্ৰস্ত আৰু আহত সকলোৰে আশু আৰোগ্য কামনা কৰি আন্তৰিক সমবেদনা জনালোঁ ।

সৰ্বশেষত, দলৰ সকলো স্তৰৰ লগতে ৰাজ্যখনৰ বিভিন্ন ক্ষেত্ৰৰ সৈতে জড়িত সমূহ জ্ঞাত-অজ্ঞাত বিদেহী আত্মাৰ সদ্গতি কামনা কৰি মৌন প্ৰাৰ্থনা জনালোঁ ।